**2025/FYUG/EVEN/SEM/**
**ASMIDC–151/161**

# FYUG Even Semester Exam., 2025

## ASSAMESE

**( 2nd Semester )**

Course No. : ASMIDC–151

( অসমীয়া লেখন কলা )

*Full Marks : 70*
*Pass Marks : 28*

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

গোট—১

১। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ অতি চমু উত্তৰ দিয়া : ১×৪=৪

(ক) লেখন কলাৰ প্ৰথম স্তৰ কি?

(খ) এবিধ প্ৰাচীন লেখন সামগ্ৰীৰ নাম কি?

(গ) ভাষাৰ মূল কি?

(ঘ) লিপিৰ পূৰ্ণ বিকশিত ৰূপটো কি?

(ঙ) 'তুলাপাত' কি?

২। তলৰ যি কোনো এটা প্ৰশ্নৰ চমু উত্তৰ দিয়া : ২

(ক) ‘লেখন কলা’ বুলিলে কি বুজা ?

(খ) লেখন কলাৰ সৈতে জড়িত দুবিধ সামগ্ৰীৰ নাম লিখা।

৩। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ দিয়া : ৮

(ক) লেখন কলাৰ ইতিহাস সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(খ) উৎকৃষ্ট লেখনৰ বাবে লেখক এগৰাকীৰ থাকিবলগীয়া গুণসমূহ বিচাৰ কৰা।

গোট—২

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ অতি চমু উত্তৰ দিয়া : ১×৪=৪

(ক) সাঁচিপাত অগৰু বা সাঁচি গছৰ পাত নে ছাল ?

(খ) লিখাৰ সামগ্ৰী হিচাপে সাঁচিপাত ব্যৱহাৰ কৰা উত্তৰ-পূৰ্বাঞ্চলৰ একমাত্ৰ ৰাজ্যখন কি ?

(গ) অসমত উদ্ধাৰ হোৱা শিলালিপিৰ ইতিহাস কোন শতিকাৰ পৰা আৰম্ভ হৈছে ?

(ঘ) তাম্ৰলিপি কি ?

(ঙ) চিত্ৰ অংকিত অসমৰ এখন প্ৰাচীন সাঁচিপতীয়া পুথিৰ নাম উল্লেখ কৰা।





৫। তলৰ যি কোনো এটা প্ৰশ্নৰ চমু উত্তৰ দিয়া : ২

(ক) অসমৰ দুখন প্ৰাচীন শিলালিপিৰ নাম উল্লেখ কৰা।

(খ) অসমত উদ্ধাৰ হোৱা দুখন পুৰণি তামৰ ফলিৰ নাম লিখা।

৬। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ দিয়া : ৮

(ক) সাঁচিপাত প্ৰস্তুত-প্ৰণালীৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(খ) অসমৰ শিলালিপিসমূহৰ বিষয়ে এটি পৰিচয় টোকা প্ৰস্তুত কৰা।

গোট—৩

৭। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ অতি চমু উত্তৰ দিয়া : ১×৪=৪

(ক) লেখন সঁজুলি মানে কি ?

(খ) লেখন সঁজুলি হিচাপে ব্যৱহৃত এবিধ কাপোৰৰ নাম উল্লেখ কৰা।

(গ) ‘মহীচুঙা’ কি ?

(ঘ) আঁকমাৰী কিহেৰে প্ৰস্তুত কৰা হয় ?

(ঙ) ভোট দেশ বা ভূটানৰ পৰা আমদানি কৰা অসমত ব্যৱহৃত প্ৰাচীন লেখন সামগ্ৰীবিধ কি ?

৮। তলৰ যি কোনো এটা প্ৰশ্নৰ চমু উত্তৰ দিয়া : ২

(ক) বিহ্বনা কি? বিহ্বনা কিয় ব্যৱহাৰ কৰা হৈছিল?

(খ) 'মহী' প্ৰস্তুত কৰিবলৈ ব্যৱহাৰ কৰা দুবিধ সামগ্ৰীৰ নাম লিখা।

৯। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ দিয়া : ৮

(ক) অসমৰ সাঁচিপতীয়া পুথিৰ ঐতিহ্য দাঙি ধৰি এটি প্ৰবন্ধ প্ৰস্তুত কৰা।

(খ) সাঁচিপতীয়া পুথিসমূহ লিখোঁতে ব্যৱহাৰ কৰা সঁজুলিবোৰৰ বিষয়ে আলোচনা আগবঢ়োৱা।

## গোট—৪

১০। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ অতি চমু উত্তৰ দিয়া : ১×৪=৪

(ক) অসমীয়া লিপিৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে প্ৰণালীবদ্ধভাৱে আলোচনা আগবঢ়োৱা প্ৰথম পণ্ডিতগৰাকী কোন?

(খ) *Descriptive Catalogue of Assamese Manuscripts* গ্ৰন্থখন কোনে সম্পাদনা কৰিছিল?

(গ) আহোম ৰাজ পৃষ্ঠপোষকতাত বিকশিত লিপিবিধক কি লিপি বুলি জনা যায়?





(ঘ) কাইথেলী লিপিৰ সৈতে জড়িত অসমৰ এটি বৃত্তিজীৱী লিপিকাৰ সম্প্ৰদায়ৰ নাম লিখা।

(ঙ) সোঁফালৰ পৰা বাওঁফাললৈ কি লিপি লিখা হয়?

১১। তলৰ যি কোনো এটা প্ৰশ্নৰ চমু উত্তৰ দিয়া : ২

(ক) ড০ মহেশ্বৰ নেওগে উল্লেখ কৰা গড়গঞা লিপিৰ দুটা বৈশিষ্ট্যৰ বিষয়ে উল্লেখ কৰা।

(খ) বামুণীয়া লিপিৰ দুটা বৈশিষ্ট্য লিখা।

১২। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ দিয়া : ৮

(ক) অসমীয়া লিপিৰ যুগ-বিভাজন দেখুৱাই এটি আলোচনা আগবঢ়োৱা।

(খ) পুৰণি অসমীয়া লিপিৰ শৈলী-ভিন্নতা সম্পৰ্কে এটি আলোচনা দাঙি ধৰা।

## গোট—৫

১৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ অতি চমু উত্তৰ দিয়া : ১×৪=৪

(ক) আধুনিক অসমীয়া লিপিৰ জনক বুলি কাক আখ্যা দিয়া হয়?

(খ) সাঁচিপতীয়া আখৰৰ গঢ়েৰে মুদ্ৰিত প্ৰথম অসমীয়া আধুনিক লিপি-সম্বলিত গ্ৰন্থখন কি?

(গ) অসমত ছপাশাল প্ৰথমে কোনে প্ৰতিষ্ঠা কৰিছিল?

(ঘ) অসমীয়া আখৰ লিখিবলৈ ব্যৱহাৰ কৰা এটা কম্পিউটাৰৰ চফ্‌টৱেৰৰ নাম লিখা।

(ঙ) কম্পিউটাৰত অসমীয়া লিপি ব্যৱহাৰ কৰি মুদ্ৰণ কৰা প্ৰথম অসমীয়া গ্ৰন্থখন কি?

১৪। তলৰ যি কোনো এটা প্ৰশ্নৰ চমু উত্তৰ দিয়া : ২

(ক) অসমীয়া লিপিৰ বিকাশত ছপাশালৰ দুটা প্ৰধান ভূমিকাৰ বিষয়ে উল্লেখ কৰা।

(খ) ইউনিক'ড কি?

১৫। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ দিয়া : ৮

(ক) আধুনিক অসমীয়া লিপিৰ প্ৰসাৰ আৰু বিকাশত আধুনিক লেখন-প্ৰযুক্তিৰ ভূমিকা সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(খ) আধুনিক অসমীয়া লিপিৰ প্ৰচাৰ আৰু প্ৰসাৰত কম্পিউটাৰৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

★★★